# ১১। স্বাৰ্থিক প্ৰত্যয়
## (Pleonastic Suffixes)

**১১ : ১** অব্যয় পদৰ বাহিৰে বিভিন্ন পদৰ কিছুমান চিন বা শব্দাংশ বহি পদটোৰ অৰ্থকে বুজায়। কেতিয়াবা সামান্য জোৰ, অনুৰোধ, আকাংক্ষা, আদেশ ক্ষুদ্ৰাৰ্থ, আদিও বুজোৱা হয়। এনেবোৰ শব্দ, শব্দাংশ বা চিনবোৰকেই স্বাৰ্থিক প্ৰত্যয় কোৱা হয়। অসমীয়া ভাষাত ইয়ো এটি অন্যতম বৈশিষ্ট্য।

**১১ : ২** মধ্য যুগৰে পৰা অসমীয়া ভাষাত এনে স্বাৰ্থিক প্ৰত্যয় ব্যৱহাৰ হয়। যেনে,

সি ব্যাকৰণ শিকিব। এই বাক্যৰ পদবোৰত স্বাৰ্থিক প্ৰত্যয় লগ লগালে—

(ক) সিতো ব্যাকৰণ শিকিব।

(খ) সি ব্যাকৰণতো শিকিবই।

(গ) সি ব্যাকৰণ শিকিবতো।

এই বাক্যবোৰত 'তো' প্ৰত্যয় যোগ হোৱা পদটোত দৃঢ়তা বা জোৰ বুজাইছে। কিন্তু পদকেইটাৰ অৰ্থৰ কোনো লৰচৰ কৰা নাই।

**১১ : ৩** তলত অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বিশিষ্ট স্বাৰ্থিক প্ৰত্যয়বোৰ উল্লেখ কৰা হ'ল।

**(১) গৈ :** গৈ—গম্ ধাতুৰ (যা) অসমাপিকা ক্ৰিয়া যদিও, ব্যৱহাৰত প্ৰত্যয়।

আহোম যুগৰ বুৰঞ্জীৰ ভাষাত 'ধৰিলেগৈ', 'বহিলগৈ', 'থাকিলগৈ' আদিৰ ব্যৱহাৰ আছে। গৈ— যোগ কৰিলে কোনো সমাপিকা ক্ৰিয়া আন ঠাইত সমাধা হোৱা বুজায়। যেনে,

তাই ভাত খালেগৈ। অঞ্জলিয়ে কিতাপ পঢ়িলেগৈ।

বক্তা থকা ঠাইত কামটো সম্পন্ন হোৱা নুবুজায়। এঠাইৰপৰা গৈ আন এঠাইত সম্পন্ন হোৱা বুজায়।

**(২) হি (আহি) :** অসমীয়াত আহ্ ধাতুৰ অসমাপিকা ক্ৰিয়া 'আহি'ৰপৰা 'হি' উদ্ভৱ হৈছে। ব্যৱহাৰত প্ৰত্যয়। আহোম যুগৰ ভাষাতেই ব্যৱহাৰ হ'বলৈ আৰম্ভ কৰিছিল। যেনে,

ফুকনক বৰিলহি, পাণ্ডু পালেহি।

হি প্ৰত্যয়ৰ সহযোগত ক্ৰিয়াটোৱে আন ঠাইৰপৰা আহি সমাধা হোৱা বুজায়। যেনে,

(ক) মঞ্জুজনী ঘৰ পালেহি। অৰ্থাৎ ক'ৰবাৰপৰা আহি ঘৰ পালে।

(খ) ৰূপজ্যোতিয়ে পাঠ পঢ়িছেহি।

**(৩) না, নো :** স্বাৰ্থিক প্ৰত্যয় যি পদৰ পিছত বহে সেই পদৰ ওপৰত জোৰ দিয়ে। কেতিয়াবা অনুৰোধ বুজায়। যেনে,

DAILY ASSAM



মোৰ মা'জনী খোৱানা। তাইনো ব্যাকৰণ কিয় নপঢ়ে?

ব্যাকৰণনো শিকিবলৈ কি টান?

অনুৰোধ—

ব্যাকৰণৰ সূত্ৰবোৰ লিখানা! কলম লোৱানা। ঘৰলৈ যোৱাঁনা?

**(৪) চোঁ, চোন ঃ** আধুনিক অসমীয়াত মৃদু, অনুজ্ঞা, আশ্চৰ্য, আশাতীত ভাব বুজাবলৈ বিভিন্ন পদৰ পিছত ব্যৱহাৰ হয়। যেনে,

তুমি কাইলৈ আহিবাচোন। (মৃদু অনুজ্ঞা)

তুমিচোন আজিয়েই আহিলা। (আশ্চৰ্য)

তই তালৈ গৈছিলিচোন। (আশাতীত)

মৰিলেইচোন।

মইচোঁ (চোন) এইবোৰ একোকে নাজানো।

মই এইবোৰ একোকে নাজানোচোন।

**(৫) দে, দেই, দেখোন (দেখো) ঃ** চোন প্ৰত্যয়ৰ দৰে মৃদু অনুজ্ঞা বা আশ্চৰ্য প্ৰকাশ কৰিবলৈ দে, দেই, দেখোঁ, দেখোন ব্যৱহাৰ হয়। সম্মানিত ব্যক্তিক অনুৰোধ কৰিলে দে, দেই ব্যৱহাৰ নহয়। যেনে, কাইলৈ আহিবা দে (দেই)। (মৃদু অনুজ্ঞা)। খাবলৈ পাবা দেই। খবৰ দেখোঁ একো নাই। দৰৱ খোৱাতো জ্বৰ নেৰিলে দেখোন।

**(৬) তো ঃ** নিশ্চয়তা বা জোৰ বুজাবলৈ বিভিন্ন পদৰ পিছত ব্যৱহাৰ হয়। যেনে,

দৰৱ খোৱাতো জ্বৰ নেৰিলে।

দৰৱতো খাইছেই, জ্বৰহে এৰা নাই। দৰৱ নাখালে জ্বৰ নেৰিবতো।

**(৭) ক বা বৰ্ধিত ক ঃ** বিভিন্ন পদত (অব্যয়ৰ বাহিৰে) স্বাৰ্থিকভাৱে ব্যৱহাৰ হয়। যেনে,

অন্ধ—অন্ধক, বাল—বালক, জলা—জলকীয়া, নাই—নাইকিয়া, ভাই—ভায়েক।

**(৮) ৰ আৰু বৰ্ধিত ৰ ঃ** বিশেষ্য শব্দৰ পিছত স্বাৰ্থিকভাৱে ব্যৱহাৰ হয়। যেনে,

বাচা (বৎস)— বেচেৰা, বেচেৰী; কাষ—কাষৰ; শিপা—শিয়া, কাক, কোৱা-কাউৰ, কাউৰী; বাৰ্তা— বতৰা, বাতৰি ইত্যাদি।

**(৯) ল আৰু বৰ্ধিত ল ঃ** বিশেষ্য পদৰ পিছত স্বাৰ্থিকভাৱে ব্যৱহাৰ হয়। যেনে,

প্ৰস্থ—পথালি, দীঘ—দীঘল। অন্ধ—অন্ধলা। পখি—পখিলা, পখিলী।

**(১০) হ'বলা ঃ** সন্দেহ বা সম্ভাব্য বুজাবলৈ হ'বলা ব্যৱহাৰ হয়। যেনে, সি হ'বলা নাহিল। সি আজিও নাহিল হ'বলা।

**(১১) পাই ঃ** আধুনিক অসমীয়াত নকৈ প্ৰচাৰিত স্বাৰ্থিক প্ৰত্যয়। যেনে, সি আজিও নাহিল পাই।

**(১২) একা ঃ** তুমি একা কম ল'ৰা নোহোৱা। তাই কম ছোৱালী নহয় একা।